# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। নেপালত অভূতপূৰ্ব হিংসাত্মক পৰিস্থিতিৰ মাজত দেশখনৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিৰ পদত্যাগ। নেপালৰ পৰিস্থিতিৰ ওপৰত ভাৰত চৰকাৰৰ নিৰন্তৰ দৃষ্টি।

২। উপৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰায় ৯৬ শতাংশ ভোটদান। কিছু সময়ৰ ভিতৰতে আনুষ্ঠানিক ফলাফল ঘোষণা।

৩। বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰ।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি মঙলদৈত প্ৰস্তুতিৰ পৰ্যালোচনা।

*আৰু*

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ। আবু ধাবীত আজি উদ্বোধনী খেলত আফগানিস্তান, হংকঙৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

নেপালত ফেচবুক, ইউটিউব আদি ২৬টা সামাজিক মাধ্যমৰ ওপৰত নিষেধাজ্ঞা আৰোপৰ প্ৰতিবাদত দেশখনৰ যুৱ প্ৰজন্মই চলোৱা হিংসাত্মক বিক্ষোভৰ পৰিপ্ৰেক্ষিতত দেশখনৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে পদত্যাগ কৰে। দুপৰীয়াৰ ভাগত ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পোড়েলে প্ৰধানমন্ত্ৰীৰ পদত্যাগপত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে, ৰাজধানী কাঠমাণ্ডু আৰু দেশখনৰ অন্যান্য প্ৰান্তত কালি যুৱ প্ৰজন্মৰ বিক্ষোভ নিয়ন্ত্ৰণৰ বাবে নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰিবলগীয়া হোৱাত ১৯গৰাকী প্ৰতিবাদকাৰী নিহত আৰু ভালেসংখ্যক প্ৰতিবাদকাৰী আহত হৈছিল। এই প্ৰতিবাদত সেও মানি নেপাল চৰকাৰে কালি বিয়লিৰ ভাগত সামাজিক মাধ্যমৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰে যদিও সান্ধ্য আইনৰ মাজতে আজি সমগ্ৰ দেশজুৰি পুনৰ প্ৰতিবাদৰ সৃষ্টি হয়। প্ৰতিবাদকাৰী সকলে আজি কাঠমাণ্ডুত থকা দেশখনৰ সংসদ ভৱন আৰু ৰাষ্ট্ৰপতি ভৱনত অগ্নিসংযোগ কৰাৰ লগতে ভালেকেইগৰাকী মন্ত্ৰীৰ বাসভৱনতো অংগ্নিসংযোগৰ চেষ্টা চলায়। অসমৰ্থিত বাতৰি অনুসৰি প্ৰতিবাদকাৰীয়ে দেশখনৰ এগৰাকী প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ ঘৰত অগ্নিসংযোগ কৰাৰ ফলত তেওঁৰ পত্নীৰ অগ্নিদগ্ধ হৈ মৃত্যু ঘটিছে। নেপালৰ সেনাবাহিনী প্ৰধান জেনেৰেল অশোক ৰাজ চিক্‌দেলে প্ৰতিবাদকাৰীসকলক হিংসাত্মক প্ৰতিবাদৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। কাঠমাণ্ডুৰ ত্ৰিভুৱন আন্তৰ্জাতিক বিমান বন্দৰ বৰ্তমান বন্ধ কৰি দিয়া হৈছে আৰু দেশখনৰ এনে অভূতপূৰ্ব অৰাজক পৰিস্থিতিত নেপাললৈ যাত্ৰা কৰা কেইবাখনো বিদেশী ৰাষ্ট্ৰৰ বিমান আন স্থানলৈ ঘূৰি যাবলগীয়া হৈছে।

ভাৰত চৰকাৰে চুবুৰীয়া দেশখনৰ পৰিস্থিতিৰ ওপৰত নিৰন্তৰ দৃষ্টি ৰাখিছে আৰু নেপালত থকা ভাৰতীয় লোকসকলক ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগ ৰাখিবলৈ পৰামৰ্শ দিছে। কাঠমাণ্ডুস্থিত ভাৰতীয় দূতাবাসে ইতিমধ্যে দুটা ফোন নম্বৰ মুকলি কৰি দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে নেপালৰ পৰিস্থিতি স্বাভাৱিক নোহোৱা পৰ্যন্ত দেশখন ভ্ৰমণ নকৰিবলৈ ভাৰতীয় নাগৰিকসকলক পৰামৰ্শ দিছে। নেপালৰ সৈতে থকা ভাৰতৰ সীমান্তত সশস্ত্ৰ সীমা বলৰ পহৰা অধিক শক্তিশালী কৰা হৈছে। এয়াৰ ইণ্ডিয়া আৰু ইণ্ডিগো এয়াৰলাইন্সকে ধৰি ভাৰতীয় বিমান সংস্থাসমূহে নেপাললৈ যাবলগীয়া সকলো বিমানৰ যাত্ৰা বাতিল কৰিছে।

০০০০০

দেশৰ পঞ্চদশগৰাকী উপ-ৰাষ্ট্ৰপতি পদৰ বাবে আজি অনুষ্ঠিত নিৰ্বাচনৰ ভোটগণনা বৰ্তমান চলি আছে। আজি দিনৰ ১০ বজাৰ পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ বিয়লি ৫ বজাত সম্পন্ন হয়। আজি লোকসভা আৰু ৰাজ্যসভাৰ মুঠ ৭৮১ গৰাকী সাংসদৰ ৯৬ শতাংশই তেওঁলোকৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণ আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দিতা হৈছে।

উল্লেখযোগ্য যে পূৰ্বৰ উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে যোৱা জুলাই মাহত পদত্যাগ কৰাৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছে।

০০০০০

আসন্ন বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে বিটিআৰৰ জিলা কেইখনত ব্যাপক প্ৰচাৰ চলাই আছে। একেদৰে জিলা প্ৰশাসনসমূহেও নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত ৰাখিছে।

**চিৰাং** জিলাৰ সাতটা পৰিষদীয় সমষ্টিটে ৰাজনৈতিক দলসমূহে প্ৰচাৰ চলাইছে। বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক তথা প্ৰাক্তন সাংসদ পল্লৱ লোচন দাসে আজি বাসুগাঁৱত বিজেপিৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। অনুষ্ঠানত ১৩ নম্বৰ চিৰাং পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী সৌমখৌৰ ব্ৰহ্মকে ধৰি স্থানীয় নেতাসকল উপস্থিতি থাকে।

**বাক্সা** জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ আৰকৰাত আজি বি পি এফ দলৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হৈ যায়। পৰিষদীয় সমষ্টিটোৰ বিপিএফ প্ৰাৰ্থী চৌগমচাৰ বড়োৰ হৈ কৰা প্ৰচাৰত কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে।

বিটিআৰৰ অন্তৰ্গত তামুলপুৰ, কোকৰাঝাৰ আৰু ওদালগুৰি জিলাতো বিজেপি, কংগ্ৰেছ, ইউপিপিএল, বিপিএফকে ধৰি দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ওদালগুৰি জিলাত নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা নাৰায়ণ ডেকা-

***(ভইচ ঃ নাৰায়ণ ডেকা)***

এইবাৰৰ নিৰ্বাচনত বিজেপিয়েও শক্তিশালী প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দৰং জিলা ভ্ৰমণকালত সাংবাদিকৰ আগত প্ৰকাশ কৰে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত দৰং জিলা ভ্ৰমণৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মঙলদৈত সামগ্ৰিক প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰস্তাৱিত দৰং মেডিকেল কলেজ চৌহদৰ মূল সভাস্থলী পৰিদৰ্শন কৰি জিলা প্ৰশাসনৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে মিলিত হয়। প্ৰধানমন্ত্ৰীগৰাকীৰ ভ্ৰমণ সম্পৰ্কীয়

বিভিন্ন দিশৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰি সংশ্লিষ্ট সকলো বিভাগক নিয়াৰিকৈ কামসমূহ আগবঢ়াই নিবলৈ যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে আদালত অৱমাননাৰ গোচৰত বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ আৰু প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতি সোঁশৰীৰে আদালতত হাজিৰ হোৱাৰ নিৰ্দেশ দিছে। আদালতৰ নিৰ্দেশ অনুসৰি অহা ১৫ ছেপ্তেম্বৰত এই বিষয়া দুগৰাকী আদালতত উপস্থিত হ'ব লাগিব। উল্লেখযোগ্য যে, গুৱাহাটী উচ্চ ন্যায়ালয়ে পূৰ্বে একাংশ চি টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তি দিবলৈ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ক নিৰ্দেশ দিছিল। কিন্তু ন্যায়ালয়ৰ নিৰ্দেশৰ পাছতো নিযুক্তিৰ পথ প্ৰশস্ত নোহোৱাত প্ৰাৰ্থীসকলে পুনৰ উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান সংগ্ৰহালয় আৰু খানাপাৰাৰ ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত তথা অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ সহযোগত নলবাৰীৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰত আজি এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই আলোচনাচক্ৰত জিলাখনৰ ২২টা দলে অংশগ্ৰহণ কৰে। কোৱাণ্টাম যুগ আৰম্ভ, সম্ভাৱনা আৰু প্ৰত্যাহ্বান শীৰ্ষক এই আলোচনাচক্ৰত কেইবাগৰাকীও সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

মাদক দ্ৰব্যৰ আসক্তসকলৰ চিকিৎসা আৰু পুনৰ্বাসন সুনিশ্চিত কৰাৰ লগতে মাদক দ্ৰব্যৰ আসক্তিৰ বিৰুদ্ধে জনসচেতনতা সৃষ্টিৰ বাবে শিলচৰৰ গান্ধী ভৱনত আজি এখন গুৰুত্বপূৰ্ণ সভাৰ আয়োজন কৰা হয়। স্বেচ্ছাসেৱী সংস্থা ৰুট টু কানেক্ট আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উদ্যোগত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যিক কাৰ্যপৰিকল্পনা আৰু ৰাষ্ট্ৰীয় মাদক চাহিদা হ্ৰাস কাৰ্যপৰিকল্পনাৰ অংশ হিচাপে এই সভাৰ আয়োজন কৰা হয়। সভাখনত এখন সংবাদ মেল সম্বোধন কৰি অতিৰিক্ত জিলা আয়ুক্তই শাৰিৰীক আৰু মানসিক দিশত মাদক দ্ৰব্যৰ কুপ্ৰভাৱৰ বিষয়ে ব্যাখ্যা কৰে। মাদক দ্ৰব্যৰ আসক্তি প্ৰতিৰোধ আৰু সজাগতাৰ ক্ষেত্ৰত কাছাৰ জিলাৰ সংবাদ মাধ্যমৰ ভূমিকা সম্পৰ্কে সভাখনত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০

গুৱাহাটীৰ গড়চুকৰ পামহি পাইকাৰী বজাৰত আজি এখন বিত্তীয় বিষয়ক সজাগতা সভা অনুষ্ঠিত হৈ যায়। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মাণিৱাইছ চেণ্টাৰ ফৰ ফাইনেন্সিয়েল লিটাৰেৰী প্ৰকল্পৰ অধীনত নাবাৰ্ডৰ তত্বাৱধানত ক্ৰিচিল ফাউণ্ডেশ্যনৰ সহযোগত এই সভাখন অনুষ্ঠিত হৈ যায়। বিত্তীয় দিশৰ বিভিন্ন বিষয় সামৰি অনুষ্ঠিত এই সভাখনত নাবাৰ্ডৰ সহকাৰী প্ৰৱন্ধক শ্যামল কুমাৰ, ইণ্ডিয়ান পোষ্ট পেমেণ্ট বেংকৰ আঞ্চলিক বিষয়া শ্বেলিং ৰাজাৰ লগতে আন বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ক্ৰিচিল ফাউণ্ডেশ্যনৰ আঞ্চলিক বিষয়া দুলন বৰুৱাই প্ৰদান কৰা ভাষণেৰে সভাখন আৰম্ভ হয়। তাৰ পাছতে উপস্থিত ব্যক্তিসকলে বিত্তীয় বিষয়ৰ জ্ঞানৰ প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য প্ৰদান কৰে। একেখন সভাতে সঞ্চয় আৰু বেংক একাউণ্টৰ প্ৰয়োজনীয়তা, কে ৱাই চি, নমিনী, বীমাৰ প্ৰয়োজনীয়তা, চৰকাৰী বীমাৰ গুৰুত্ব আৰু অন্তৰ্ভুক্তি, চৰকাৰী আঁচনিসমূহ ইত্যাদি বিষয় সামৰি সভাত উপস্থিত ব্যক্তিসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়।

০০০০০

পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে কালিৰে পৰা দুদিনীয়াকৈ ৰাষ্ট্ৰীয় আলোচনা সত্ৰ অনুষ্ঠিত হৈছে। আজি এই আলোচনা সত্ৰত অংশগ্ৰহণ কৰি ৰাজ্যৰ বিশিষ্ট

শিক্ষাবিদ অমৰজ্যোতি চৌধুৰীয়ে ড০ হাজৰিকাৰ গীতক লুইতৰ ঢৌৰ সৈতে তুলনা কৰি তেওঁৰ জীৱন আৰু আদৰ্শ সন্দৰ্ভত বহু গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত আয়োজিত এই আলোচনা সত্ৰ ভূপেন হাজৰিকাৰ জীৱন আৰু কৃতিত্বক বিশেষভাৱে সন্মান জনোৱা হয়। কালি অনুষ্ঠানৰ প্ৰথম দিনা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পোষ্টাৰ সজোৱা, মুকলি কুইজ আদিৰ লগতে এখন গ্ৰন্থমেলা অনুষ্ঠিত হয়। আজি দ্বিতীয় দিনৰ কাৰ্যসূচী হিচাপে আয়োজন কৰা অসম সমাজ-সংস্কৃতি আৰু ভূপেন হাজৰিকাৰ সৃষ্টি শীৰ্ষক আলোচনা সত্ৰখন উদ্বোধন কৰে স্থানীয় বিধায়ক তথা মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সূৰ্য  হাজৰিকা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তি প্ৰমুখ্যে জ্যেষ্ঠ চৰকাৰী বিষয়া উপস্থিত থাকে।

ooooo

ডিব্ৰুগড় জিলা ক্ৰীড়া বিষয়া কাৰ্যালয় আৰু ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত **সাংসদ খেল মহোৎসৱ ২০২৫**ৰ প্ৰস্তুতিমূলক সভা আজি শ্ৰী শ্ৰী আউনীআটি শাখা সত্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অহা ২১ ছেপ্তেম্বৰৰ পৰা ২৫ ডিচেম্বৰলৈকে সমগ্ৰ দেশতে এই মহোৎসৱ অনুষ্ঠিত হ'ব। আজিৰ সভাত জিলা ক্ৰীড়া বিষয়া চেমি শইকীয়াই এই সন্দৰ্ভত সকলোকে অৱগত কৰে। দেশৰ গাঁৱে-ভূঞে তৃণমূল পৰ্যায়ত ক্ৰীড়া প্ৰতিভাক চিনাক্ত কৰি বিকশিত কৰা, পৰম্পৰাগত আৰু থলুৱা খেলসমূহৰ প্ৰচাৰ কৰাৰ লগতে অঞ্চলভিত্তিক চিনাক্ত কৰি খেলসমূহ সংৰক্ষিত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। সাংসদ খেল মহোৎসৱ ২০২৫ৰ নিৰ্ধাৰিত পাঁচটা অলিম্পিক স্বীকৃতিপ্ৰাপ্ত প্ৰতিযোগিতা, ফুটবল, ভলীবল, ক্ৰিকেট আৰু লঘূ আৰু দীৰ্ঘ দূৰত্বৰ এথলেটিকছ্।

ooooo

আবু ধাবীত আজি আৰম্ভ হ'বলগীয়া এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগীতাৰ উদ্বোধনী মেচত আফগানিস্তানে হংকঙৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত খেলখন আৰম্ভ হ'ব। ২৮ ছেপ্টেম্বৰলৈকে চলিবলগীয়া এই প্ৰতিযোগিতাত মুঠ আঠটা দলে খিতাপ দখলৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। ২০১৬ চনৰ পৰা এদিনীয়া আৰু টি-২০ ফৰ্মেটত পৰ্যায়ক্ৰমে খেলোৱা প্ৰতিযোগীতাখনত এইবাৰ  টি-২০ ফৰ্মেটত খেলোৱা হ'ব। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কাইলৈ অনুষ্ঠিত হ'বলগীয়া গ্ৰুপ 'এ' পৰ্যায়ৰ এখন মেচত আয়োজক সংযুক্ত আৰৱ আমিৰীৰ বিৰুদ্ধে টিম ইণ্ডিয়াই অভিযান আৰম্ভ কৰিব। পাকিস্তান, ওমান আৰু সংযুক্ত আৰৱ আমিৰীক গ্ৰুপ এত তালিকাভুক্ত কৰা হৈছে। শ্ৰীলংকা, আফগানিস্তান, হংকং আৰু বাংলাদেশক গ্ৰুপ বিত তালিকাভুক্ত কৰা হৈছে। টীম ইণ্ডিয়াই অন্তিমখন গ্ৰুপ পৰ্যায়ৰ খেল ১৯ ছেপ্টেম্বৰত ওমানৰ বিৰুদ্ধে খেলিব। ২০ ছেপ্টেম্বৰৰ পৰা প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায় আৰম্ভ হ'ব।

ooooo

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত কাইলৈৰ পৰা কনকলতা বৰুৱা মহিলাৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। টি-২০ ফৰমেটত হ'বলগীয়া এই প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী দলসমূহক ছটা গোটত ভাগ কৰা হৈছে। কাইলৈ গ্ৰুপ পৰ্যায়ৰ খেল অনুষ্ঠিত হোৱাৰ পাছত ২০ ছেপ্তেম্বৰৰ পৰা দ্বিতীয় ৰাউণ্ডৰ

খেল আৰু ২৪ ছেপ্তেম্বৰত ফাইনেল খেলখন অনুষ্ঠিত হ'ব। অসম ক্ৰিকেট সন্থাৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰীতম মহন্তই প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০

শ্ৰীভূমি জিলাৰ মখাইভঙা কান্দিগ্ৰাম অঞ্চলৰ ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হয়। ভাগা অভিমুখে গৈ থকা এখন ই-ৰিক্সাৰ সৈতে বদৰপুৰ অভিমুখী এখন ট্ৰাকৰ মুখামুখিকৈ খুন্দা লগাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। এই দুৰ্ঘটনাত ই-ৰিক্সা চালকজনৰ থিতাতে মৃত্যু হয়।

০০০০০

সমাপ্ত